# REGIONAL NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-08-2025
**Time : 1845** hrs

## *Assamese Evening Bulletin*
## *Headlines*
000000

১। উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলৰ উচ্ছেদিত ভূমিত আজিৰে পৰা গছপুলি ৰোপন অভিযান।

২। বাগুৰুম্বা নৃত্যক আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত তুলি ধৰাৰ উদ্দেশ্যে অহা নৱেম্বৰত বাগুৰুম্বা দ'হৌ অনুষ্ঠানৰ আয়োজন।

৩। শৰাইঘাটৰ পুৰণি দলংখনেৰে আজি নিশা ১০ বজাৰ পৰা কাইলৈ পুৱা ৫ বজালৈ যাতায়ত বন্ধ।

৪। দেশজুৰি আজি পৱিত্ৰ ৰাখীবন্ধন উৎসৱ উদযাপন।

**আৰু**

৫। ৫১ সংখ্যৰ জুনিয়ৰ ৰাষ্ট্ৰীয় জলক্ৰীড়া প্ৰতিযোগিতাত ১০টা পদকেৰে অসমৰ সপ্তম স্থান।

0000000

উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলৰ উচ্ছেদিত ভূমিক পুনৰ সেউজ কৰি তোলাৰ লক্ষ্যৰে সোণাৰি বিলত বন বিভাগৰ উদ্যোগত আজিৰে পৰা গছপুলি ৰোপণ কৰা হৈছে। বনানিকৰণৰ জৰিয়তে বনাঞ্চলৰ ভূমি ৰক্ষা কৰাৰ উদ্দেশ্যে আয়োজন কৰা এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ ৰাজ্য চৰকাৰে সকলোকে আহ্বান জনাইছে। উল্লেখযোগ্য যে যোৱা ৩০ জুলাইৰ পৰা চলি থকা এই উচ্ছেদ অভিযানত অঞ্চলটোৰ ১০ হাজাৰ বিঘাৰো অধিক ভূমি দখলমুক্ত কৰা হৈছিল। সোণাৰি বিলত আৰম্ভ কৰা এই গছপুলি ৰোপণ অভিযান অন্যান্য উচ্ছেদিত ভূমিলৈ সম্প্ৰসাৰণ কৰা হ'ব বুলি বন বিভাগে প্ৰকাশ কৰিছে। আজি এই উপলক্ষে আয়োজিত কাৰ্যসূচীত বিশেষ মুখ্য সচিব এম কে যাদৱ, জিলাখনৰ আয়ুক্ত, জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰু বন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। অনুষ্ঠানৰ আৰম্ভণিতে বড়ো জনগোষ্ঠীৰ বাথৌ আৰোচ আৰু বাগৰুম্বা নৃত্য পৰিৱেশন কৰা হয়। ইয়াৰ পাছতে ১৫ হাজাৰ উৰিয়াম গছৰ পুলি ৰোপণ কৰা হয়। বিশেষ মুখ্য সচিব শ্ৰী যাদৱে এই অনুষ্ঠানত কয়, যে এই পুনৰুদ্ধাৰ কৰা ভূমিত ২৩ ছেপ্টেম্বৰ পৰ্যন্ত গছপুলি ৰোপণ চলি থাকিব। গোলাঘাটৰ জিলা আয়ুক্ত পুলক মহন্তই এই

কাৰ্যসূচীক উৰিয়ামঘাটৰ বাবে নতুন আৰম্ভণি বুলি অভিহিত কৰি অহা ৫ বছৰৰ ভিতৰত অঞ্চলটো পৰ্যটনৰ ক্ষেত্ৰলৈ ৰূপান্তৰিত হ'ব বুলিও আশা প্ৰকাশ কৰে।

বাইট

ইপিনে, গোলাঘাট জিলা প্ৰশাসন আৰু বন বিভাগে কালি মেৰাপানী সীমান্তৰ দৈয়াং বনাঞ্চলৰ ২ নম্বৰ নেঘেৰিবিলত অবৈধভাৱে বাস কৰা ২০৫ টা পৰিয়ালৰ ভিতৰত ১৪৬ টা পৰিয়ালক উচ্ছেদ কৰে। গোলাঘাট জিলাৰ আয়ুক্ত পুলক মহন্তৰ উপস্থিতিত অৰ্ধ শতাধিক এস্কেভেটৰ কেইবাশ বনকৰ্মী, আৰক্ষী আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সহযোগত এই উচ্ছেদ অভিযান চলোৱা হয়। পাছত নেঘেৰিবিলত ৰাজ্যৰ প্ৰধান মুখ্য বন সংৰক্ষক এম কে যাদৱে পৰিস্থিতিৰ পৰ্যালোচনা কৰে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত প্ৰধান মুখ্য বন সংৰক্ষক গৰাকীয়ে অঞ্চলটোত পুনৰ ১৬ আগষ্টৰ পৰা উচ্ছেদ চলিব বুলি প্ৰকাশ কৰে। তেওঁ লগতে উৰিয়ামঘাটতো ১৫ আগষ্টৰ পাছত পুনৰ উচ্ছেদ চলোৱা হ'ব বুলি জানিবলৈ দিয়ে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত অহা নৱেম্বৰৰ শেষৰফালে ৰাজ্যৰ বিভিন্ন জিলাৰ ১১ হাজাৰ শিল্পীয়ে গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত বড়ো জনগোষ্ঠীৰ প্ৰধান লোকনৃত্য বাগুৰুম্বা পৰিবেশন কৰিব। ১০ হাজাৰ মহিলা নৃত্যশিল্পী আৰু এহেজাৰ পুৰুষ বাদ্যশিল্পীয়ে পৰিবেশন কৰিবলগীয়া এই অনুষ্ঠানটোক **বাগুৰুম্বা দ'হৌ** ৰূপে নামকৰণ কৰা হৈছে। ৰাজ্যৰ সাংস্কৃতিক বিভাগৰ মন্ত্ৰী বিমল বৰাই আজি জনতা ভৱনত অনুষ্ঠিত এখন সভাত বিশেষজ্ঞ সমিতিৰ সৈতে প্ৰস্তাৱিত নৃত্যানুষ্ঠানটিৰ বিষয়ে আলোচনা কৰাৰ লগতে বিশেষজ্ঞসকলে অনুষ্ঠানটিৰ বাবে প্ৰস্তুত কৰা সংগীতত অনুমোদন জনায়। উল্লেখযোগ্য যে বাগুৰুম্বা নৃত্যক ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত তুলি ধৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ পৃষ্ঠপোষকতাত আয়োজন কৰিবলৈ লোৱা এই অনুষ্ঠানৰ বাবে অহা দুমাহৰ ভিতৰতে শিল্পী, ওজা প্ৰশিক্ষক নিৰ্বাচন আদি সম্পন্ন কৰা হব।

ooooo

শৰাইঘাটৰ পুৰণি দলংখন আজি নিশা ১০ বজাৰ পৰা কাইলৈ পুৱা ৫ বজালৈ বন্ধ ৰখা হ'ব। মেৰামতিৰ কামৰ বাবে এই সময়ছোৱাত দলংখনেৰে যাতায়াত বন্ধ থাকিব বুলি উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ জনসম্পৰ্কৰক্ষী বিষয়াই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে দলংখনৰ বিভিন্ন স্থানত হোৱা গাঁতৰ পৰিপ্ৰেক্ষিতত বিগত বহুদিন ধৰি যান-জঁটৰ সৃষ্টি হৈ আহিছে। এই সময়ছোৱাত সামগ্ৰী আৰু যাত্ৰী পৰিবাহী সকলো বাহনৰ চলাচল দলংখনেৰে বন্ধ থাকিব বুলি গুৱাহাটী যানবাহন শাখাৰ আৰক্ষী আয়ুক্তই এখন বিবৃতিযোগে প্ৰকাশ কৰিছে।

0000

অহা জানুৱাৰীৰ পৰা অৰুণোদয় আঁচনিৰ টকা লাভ কৰা মহিলাসকলে ৰন্ধন গেছ ক্ৰয়ৰ নামত ২৫০ টকাকৈ লাভ কৰিব। তামুলপুৰ জিলাৰ বাগানপাৰাত বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী

ড° হিমন্ত বিশ্ব শৰ্মাই আজি এই বিষয়ে ঘোষণা কৰে। তেওঁ কয়, যে নিৰ্বাচনৰ পাছত বি টি আৰত কোনো দ্বিতীয় শ্ৰেণীৰ নাগৰিক নাথাকিব আৰু সকলো নাগৰিক প্ৰথম শ্ৰেণীৰ হ’ব। বিজেপি চৰকাৰৰ দিনত বি টি আৰত উন্নয়ন হৈছে বুলি মুখ্যমন্ত্ৰীয়ে দাবী কৰে। আজিৰ সভাত সাংসদ দিলীপ শইকীয়া, মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাকে ধৰি কেইবাজনো নেতাই অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কাইলৈ বাক্সা জিলাৰ অঞ্চলিৰ সন্ন্যাসী শিৱ ধামত বিজয় সংকল্প সভাত অংশ ল’ব। মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি সভাস্থলী পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয়।

0000

ভাতৃ-ভগ্নীৰ মাজৰ স্নেহ আৰু বিশ্বাসৰ পৱিত্ৰ বান্ধোনৰ উৎসৱ ৰাখী বন্ধন আজি দেশজুৰি পালন কৰা হৈছে। এই উপলক্ষে ভগ্নীসকলে পৰম্পৰাগত ৰীতি অনুসৰি ভাতৃৰ হাতত ৰং-বিৰঙী ৰাখী বান্ধি তেওঁলোকৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে। বিনিময়ত ভাতৃসকলেও ভগ্নীসকলৰ সুৰক্ষাৰ পণ লোৱাৰ লগতে স্নেহৰ চিনস্বৰূপে উপহাৰ আগবঢ়ায়। ৰাখী বন্ধন উপলক্ষে আজি গোৱালপাৰা জিলাৰ শাস্ত্ৰী নগৰত থকা চি আৰ পি এফৰ ১৫২ নম্বৰ শিবিৰত প্ৰজাপিতা ব্ৰহ্মকুমাৰী ভগ্নীসকলে জোৱানসকলক ৰাখী পিন্ধায়। একেদৰে বিজেপিৰ গোৱালপাৰা চহৰ মণ্ডলৰ সভানেত্ৰী অপৰূপা নাথৰ নেতৃত্বত মহিলাসকলে আৰক্ষী আৰু গোৱালপাৰাৰ সাংবাদিকসকলক ৰাখী পিন্ধায়। দক্ষিণ শালমাৰা মানকাচৰ জিলা মহিলা মৰ্চাৰ উদ্যোগত আজি উলহ-মালহেৰে এই উৎসৱ পালন কৰা হয়। দেশৰ নিৰাপত্তাৰ বাবে ভাৰত-বাংলাদেশ সীমান্তত নিয়োজিত সীমান্ত সুৰক্ষা বাহিনীৰ জোৱানসকলক মহিলাসকলে ৰাখী পিন্ধাই এই দিৱস পালন কৰে। উল্লেখযোগ্য যে জিলাখনৰ সীমান্ত চেতনা মঞ্চই প্ৰতিবছৰে এই কাৰ্যসূচী পালন কৰি আহিছে। পশ্চিম কাৰ্বিআংলং জিলাৰ বৈঠালাংছ’ৰ লাংপি শিশু বিদ্যা নিকেতনৰ শিক্ষাৰ্থীসকলে আজি কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ ১২৮ নম্বৰ ডেল্টা কোম্পানীৰ জোৱানসকলক ৰাখী পিন্ধায়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাখী বন্ধন উপলক্ষে ৰাজ্যবাসীক ওলগ জনাইছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয়, যে বৰ্তমান চৰকাৰে ৰাজ্যৰ প্ৰতিগৰাকী ভগ্নীৰ সুৰক্ষাৰ প্ৰতি দায়বদ্ধতাৰে কাম কৰি যাব বুলি উল্লেখ কৰে।

00000

বিশ্ব সংস্কৃত দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীক শুভেচ্ছা জনাইছে। শাওণৰ পৱিত্ৰ পূৰ্ণিমা তিথিত পালন কৰা সংস্কৃত দিৱসৰ লগত সংগতি ৰাখি যোৱা এটা দশকত জনসাধাৰণৰ মাজত সংস্কৃত ভাষাক জনপ্ৰিয় কৰি তুলিবলৈ চৰকাৰে বিভিন্ন কাম হাতত লৈছে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে সংস্কৃত বিশ্ববিদ্যালয়সমূহৰ উপৰি সংস্কৃত শিক্ষণ কেন্দ্ৰ, সংস্কৃত পণ্ডিত গৱেষকলৈ সাহায্য প্ৰদান আৰু সংস্কৃত পুথিসমূহ ডিজিটেল কৰাৰ বাবে জ্ঞান ভাৰতম অভিযান আৰম্ভ কৰিছে।

বজালী সংস্কৃত পৰিষদৰ উদ্যোগত বিগত বৰ্ষসমূহৰ দৰে এইবাৰো বিভিন্ন কাৰ্যসূচীৰে সংস্কৃত দিৱস উদযাপন কৰা হৈছে। পাঠশালাৰ হৰিমন্দিৰ প্ৰাঙ্গনত পৰিষদৰ অধ্যক্ষ ড০ খগেন্দ্ৰ নাথ দেৱশৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত সভাত আজি গণকপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সংস্কৃত শিক্ষক ভৱেশ চন্দ্ৰ শৰ্মাক সম্বৰ্দ্ধনা জনোৱা হয়। অনুষ্ঠানত পাঠশালা বজাৰ কমিটীৰ সভাপতি গিৰিশ পাটগিৰি, কদমতলা হাইস্কুলৰ সংস্কৃত শিক্ষক ৰূপাংক ভট্টাচাৰ্য আদিকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি অংশগ্ৰহণ কৰে। তদুপৰি, বজালী জিলাৰ অন্তৰ্গত বিদ্যালয়সমূহৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত সংস্কৃত বিষয়ত ৮৫ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা শিক্ষাৰ্থীৰ লগতে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত এই বিষয়ত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত শিক্ষাৰ্থী আৰু স্নাতক পৰ্যায়ৰ চূড়ান্ত পৰীক্ষাত সংস্কৃত মুখ্য বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰা শিক্ষাৰ্থীক আজিৰ এই অনুষ্ঠানত পুৰস্কৃত কৰা হয়।

ooooo

পবিতৰা অভয়াৰণ্যত আজি বন বিভাগৰ উদ্যোগত বিষাক্ত পাৰ্থেনিয়াম ঘাঁহ নষ্ট কৰাৰ অভিযান আৰম্ভ কৰা হয়। আজি প্ৰথম দিনা অভয়াৰণ্যখনৰ বন বিষয়া প্ৰাঞ্জল বৰুৱাৰ নেতৃত্বত প্ৰায় ৪০ গৰাকী বনকৰ্মীয়ে এই অভিযানত অংশ লৈ প্ৰায় ৫ দশমিক ২ হেক্টৰ এলেকাত এই ঘাঁহবিধ নষ্ট কৰে। কাইলৈ দলটোৱে পবিতৰা জীপ চাফাৰি সংস্থাৰ সৈতে একেলগ হৈ তামুলীদোৱা অঞ্চলত এই অভিযান চলাব বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

oooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে কেইবাটাও বিশেষ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। এনে অনুষ্ঠানসূচীৰ অংশ হিচাপে আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত স্বাধীনতা সংগ্ৰামত অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ভূমিকা শীৰ্ষক এটা বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। এই আলোচনাত কেন্দ্ৰীয় চৰকাৰৰ প্ৰকাশন বিভাগে প্ৰকাশ কৰা বহু সমাদৃত ইংৰাজী গ্ৰন্থ –Untold Stories of the Freedom struggle from North East India ৰ ৰচক তথা বিশিষ্ট সাংবাদিক, নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য্য ড° সমুদ্ৰ গুপ্ত কাশ্যপ আৰু আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ জ্যেষ্ঠ বাতৰি পৰিবেশিকা অৰুণিমা গোস্বামীয়ে অংশগ্ৰহণ কৰিব। আকাশবাণী গুৱাহাটীৰ মহাবাহু চেনেলযোগে প্ৰচাৰিত হ'বলগীয়া এই অনুষ্ঠানত আগ্ৰহী শ্ৰোতাই ফোনযোগে অংশগ্ৰহণ কৰিব পাৰিব। ফোন নম্বৰ দুটা হৈছে- 0361-2661876, 2662325।

oooooo

ধেমাজি জিলাত নিৰ্মীয়মান সংহত ক্ৰীড়া প্ৰকল্পটো আজি মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীৰ লগতে লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱা, অসম ক্ৰিকেট সংস্থাৰ সভাপতি তথা বিধায়ক তৰংগ গগৈ প্ৰমুখ্যে ক্ৰিকেট সন্থাৰ প্ৰতিনিধি আৰু কাৰিকৰী দল এই পৰিদৰ্শন কালত উপস্থিত থাকে। তেওঁলোকে প্ৰকল্পটোত নতুনকৈ নিৰ্মাণ কৰিবলৈ লোৱা খেলপথাৰ আৰু ষ্টেডিয়ামৰ স্থান

পৰিদৰ্শন কৰে। শিক্ষামন্ত্ৰীগৰাকীয়ে ধেমাজিত এখন অত্যাধুনিক বি চি চি আই স্বীকৃতিপ্ৰাপ্ত ক্ৰিকেট ষ্টেডিয়াম স্থাপন কৰিবলৈ লোৱাৰ বাবে অসম ক্ৰিকেট সন্থাক ধন্যবাদ জনায়।

বাইট

উল্লেখযোগ্য যে নিৰ্মীয়মান ক্ৰীড়া প্ৰকল্পটোত ফুটবল আৰু এথলেটিকছ ষ্টেডিয়ামৰ নিৰ্মাণৰ কাম দ্ৰুতগতিত চলি আছে আৰু সোনকালেই ক্ৰিকেটৰ ষ্টেডিয়াম নিৰ্মাণৰ কাম আৰম্ভ হব। প্ৰকল্পটো পৰিদৰ্শন কৰি অসম ক্ৰিকেট সন্থাৰ সভাপতি তৰংগ গগৈয়ে অহা এক-ডেৰ মাহৰ ভিতৰত ধেমাজিত ক্ৰিকেট ষ্টেডিয়াম নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰা হব বুলি উল্লেখ কৰে। ইয়াৰ বাবে অসম ক্ৰিকেট সন্থাই সমগ্ৰ পুঁজি বহন কৰিব বুলি উল্লেখ কৰে। এই ষ্টেডিয়ামত উন্নত ক্ৰিকেটৰ প্ৰশিক্ষণ আৰু বছৰজুৰি খেলিব পৰাকৈ ইনডৰ ষ্টেডিয়ামৰ সুবিধা থাকিব বুলি তেওঁ কয়।

মন্ত্ৰী ডাঃ পেগুৱে আজি ধেমাজিৰ চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাতো অংশগ্ৰহণ কৰে।

0000

লখিমপুৰ জিলাৰ উপায়ুক্ত কাৰ্যালয় সভাকক্ষত আজি জিলাখনৰ উন্নয়ন সমিতিৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। চৰকাৰৰ উন্নয়নমূলক কাম-কাজসমূহ আগবঢ়াই নিয়া তথা নাগৰিকৰ কল্যাণ সুনিশ্চিত কৰাৰ উদ্দেশ্যে আয়োজিত এই সভাত জিলাখনৰ আয়ুক্ত প্ৰণৱজিত কাকতিয়ে সকলো আঁচনি সঠিকভাৱে কাৰ্যকৰী কৰাত গুৰুত্ব আৰোপ কৰে। সভাত জিলা উন্নয়ন আয়ুক্ত ৰঞ্জিত স্বৰ্গিয়াৰী ঢকুৱাখনা সমজিলাৰ আয়ুক্ত সংস্কৃতি সোমানী, অতিৰিক্ত আয়ুক্তসকলকে ধৰি জিলাখনৰ সকলো চৰকাৰী বিভাগৰ মুৰব্বী বিষয়া, খণ্ড উন্নয়ন বিষয়া আদি উপস্থিত থাকে।

0000

গুৱাহাটীত আজিৰেপৰা ২১ আগষ্টলৈ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ প্ৰদৰ্শনী অনুষ্ঠিত হৈছে। এই অনুষ্ঠানত হস্ত নিৰ্মিত শিল্প কৰ্ম, জনগোষ্ঠীয় বস্ত্ৰশিল্প, জৈৱিকভাৱে উৎপাদিত সামগ্ৰী প্ৰদৰ্শন আৰু মত বিনিময় কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। কালি ভাৰতীয় ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ প্ৰসাৰ আয়োগৰ উত্তৰ-পূব মণ্ডলৰ এটা প্ৰতিনিধি দলে কৃষি মন্ত্ৰী অতুল বৰাক গুৱাহাটীৰ জনতা ভৱনত সাক্ষাত কৰি এই প্ৰদৰ্শনী সন্দৰ্ভত আনুষ্ঠানিকভাৱে অৱগত কৰে। মন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত কয় যে এই পদক্ষেপে নতুন উদ্যমীসকলক উদ্যোগ খণ্ডলৈ অধিক আকৰ্ষিত কৰিব বুলি আশা কৰিব পাৰি। তেওঁ অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগখণ্ডক শক্তিশালী কৰিব পৰা এই পদক্ষেপৰ বাবে আয়োগৰ দলটোক ধন্যবাদ জ্ঞাপন কৰে।

0000

সাংবাদিক কমলা শইকীয়া স্মাৰক ন্যাসৰ উদ্যোগত আজি গুৱাহাটীৰ উজান বজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত সাংবাদিক কমলা শইকীয়া স্মাৰক বক্তৃতা আৰু সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাংবাদিক কনকসেন ডেকাৰ সভাপতিত্বত অনুষ্ঠিত সভাত যশস্বী সাংবাদিক, লেখক, মানৱ অধিকাৰ প্ৰৱক্তা সঞ্জয় হাজৰিকাই স্মাৰক বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত চিত্ৰশিল্পী, কাৰ্টুনিষ্ট, চম্পক বৰবৰাক ন্যাসৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। স্বাস্থ্যজনিত কাৰণত প্ৰবীণ সাংবাদিক ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তীক ন্যাসে সাংবাদিকগৰাকীৰ বাসগৃহতে সম্বৰ্ধনা জনায়।

ooooo

অসমে ৫১ সংখ্যক জুনিয়ৰ ৰাষ্ট্ৰীয় জল ক্ৰীড়া প্ৰতিযোগিতাত ১০ টা পদকেৰে ৰাষ্ট্ৰীয় পৰ্যায়ত সপ্তম স্থান লাভ কৰিছে। এই প্ৰতিযোগিতাত অসমৰ তীৰ্থাংক পেগুৱে ল'ৰাৰ গ্ৰুপ ৱানৰ ২০০ মিটাৰ বাটাৰফ্লাইত আৰু প্ৰয়াস গগৈয়ে ল'ৰাৰ গ্ৰুপ টুৰ ৫০ মিটাৰ FREE STYLE শিতানত সোণৰ পদক লাভ কৰিছে। জ্ঞানদীপ বৰগোহাঁয়ে ল'ৰাৰ গ্ৰুপ টুৰ ১০০ আৰু ২০০ মিটাৰ BACK STROKE-ত ব্ৰঞ্জৰ পদক অৰ্জন কৰি ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিছে। একেদৰে প্ৰয়াস গগৈয়ে ল'ৰাৰ গ্ৰুপ টুৰ ১০০ মিটাৰ FREE STYLE ত ৰূপৰ আৰু একেই শিতানৰ ২০০ আৰু ৪০০ মিটাৰ FREE STYLE ত ব্ৰঞ্জৰ পদক লাভ কৰে। জ্ঞানদীপ, আহ্লাদ, সূৰ্য আৰু প্ৰয়াসে 4 x 100 মিটাৰ মেডলি ৰীলেত ৰূপৰ আৰু 4 x 100 মিটাৰ FREE STYLE ৰীলেত ব্ৰঞ্জৰ পদক হস্তগত কৰে।

00000

বিশ্ব বেডমিণ্টন ফেডাৰেচনে অহা ৬ৰ পৰা ১১ অক্টোবৰলৈ গুৱাহাটীৰ আমিনগাঁৱৰ ৰাষ্ট্ৰীয় উৎকৰ্ষ সাধন কেন্দ্ৰত হ'বলগীয়া বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপ, ২০২৫-ৰ সূচী ঘোষণা কৰিছে। সুহান্দিনাটা কাপ Mixed Team Event হিচাপে পৰিচিত এই প্ৰতিযোগিতাত মুঠ ৩৭ খন দেশে দলীয় শাখাত প্ৰতিদ্বন্দ্বিতা কৰিব। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা দলসমূহক মুঠ ৮ টা গ্ৰুপত ভাগ কৰা হৈছে। আয়োজক দেশ ভাৰতক হংকং, চীন, নেপাল আৰু ঘানাৰ সৈতে গ্ৰুপ H-ত স্থান দিয়া হৈছে। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলগীয়া ভাৰতীয় দলটো বাছনি কৰিবলৈ আজিৰেপৰা গুৱাহাটীত দলৰ শিবিৰ আৰম্ভ হৈছে। ১৩ আগষ্টত এই শিবিৰৰ সামৰণি পৰিব। চলিত বৰ্ষৰ এছিয়া জুনিয়ৰ চেম্পিয়নশ্বিপত পদক লাভ কৰা খেলুৱৈসকলে প্ৰত্যক্ষভাৱে ভাৰতীয় দলত স্থান লাভ কৰিব। বাকী খেলুৱৈসকলক গুৱাহাটীৰ শিবিৰৰ পৰা বাছনি কৰা হ'ব। মিক্সড দলীয় সুহান্দিনাটা কাপৰ পাছতেই গুৱাহাটীত ১৩ৰ পৰা ১৯ অক্টোবৰলৈ BWF  বিশ্ব জুনিয়ৰ চেম্পিয়নশ্বিপৰ একক শাখাৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

oooooo

ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত আজি কোকৰাঝাৰৰ ভাৰতীয় খেল প্ৰাধিকৰণৰ ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ ডিৰ এখন গুৰুত্বপূৰ্ণ খেল অসমৰ বড়োলেণ্ড এফ চিয়ে পাঞ্জাব এফ চিক ১-০ গ'লত পৰাস্ত কৰি বৃহৎ অঘটন ঘটায়। খেলখনৰ ৬৯ মিনিটত কৰ্ণাৰ কিকৰ বল হেডেৰে ৰবিনচনে নিৰ্ণায়ক গ'লটো দিয়ে। বড়োলেণ্ড এফ চিয়ে এই জয়েৰে প্ৰতিযোগিতাত কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰাৰ আশা সজীৱ কৰি ৰাখিছে। কোকৰাঝাৰ দলটোৱে লীগ পৰ্যায়ৰ নিজৰ অন্তিমখন খেল ড্ৰ' খেলিলেও কোৱাৰ্টাৰ ফাইনেলত স্থান লাভ কৰিব।

০০০০

সমাপ্ত